অধ্যায় ১২ ঃছন্দোমঞ্জৰী (ইন্দ্রবজ্রা, বসন্ততিলক আৰু বংশস্থৱিল)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ আলোচনা কৰিবলৈ লোৱা ছন্দৰ নাম আৰু সেইবোৰৰ পৰিচয়

১২.৩.১ ইন্দ্রবজ্রা ছন্দৰ সূত্র, উদাহৰণ সহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

১২.৩.২ বসন্ততিলক ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

১২.৩.৩ বংশস্থৱিল ছন্দৰ সূত্র, উদাহৰণ সহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৫ অধিক জানিবলৈ

১২.৬ অগ্রগতিৰ খতিয়ান

১২.৭ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইন্দ্রবজ্রা ছন্দৰ লক্ষণ জানিব পাৰিব,
- ইন্দ্রবজ্রা ছন্দৰ উদাহৰণৰ বিশ্লেষণ পাব,
- বসন্ততিলক ছন্দৰ লক্ষণ আৰু উদাহৰণৰ বিশ্লেষণ দেখিবলৈ পাব,
- বংশস্থৱিল ছন্দৰ লক্ষণ আৰু উদাহৰণৰ বিশ্লেষণ পাব।

১২.২ পৰিচয়



সমবৃত্ত ঃ যি ছন্দৰ চাৰিওটা চৰণত সমান সমান আখৰ থাকে তাক সমবৃত্ত বোলা হয়।

চৰণ ঃ একো একোটা নির্দিষ্ট সংখ্যাৰ বর্ণৰ সমষ্টিক চৰণ বুলি কোৱা হয়।

আপুনি ইতিমধ্যে কিছুমান ছন্দৰ বিষয়ে জানিব পাৰিছে। ছন্দৰ আলোচনাত ***সমবৃত্ত*** ছন্দৰ কথাও জানিলে। ইয়াত আপুনি ইন্দ্রবজ্রা, বসন্ততিলক আৰু বংশস্থৱিল ছন্দৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

ইন্দ্রবজ্রা ছন্দৰ প্রত্যেকটো ***চৰণত*** এঘাৰটাকৈ বর্ণ থাকে। বসন্ততিলক ছন্দৰ প্রত্যেকটো চৰণত চৌধ্যটাকৈ বর্ণ (১৪) থাকে। বংশস্থৱিল ছন্দৰ চৰণত বাৰটাকৈ বর্ণ থাকে। তেনেদৰে ভুজঙ্গপ্রয়াত ছন্দৰো চৰণত বাৰটাকৈ বর্ণ থাকে। সাধাৰণতে ছন্দত ৰচিত শ্লোকত চাৰিটা চৰণ থাকে। এতেকে আপুনি জানিব লাগিব যে চাৰিওটা চৰণৰ বর্ণৰ সমষ্টিতহে ছন্দ এটাৰ বর্ণৰ সম্পূর্ণ সংখ্যা নির্দ্ধাৰণ কৰা হয়।

তিনিটা বর্ণৰ সমষ্টিত এটা গণ হয়। তিনিটা বর্ণৰ ভিতৰত হ্রস্ব আৰু দীর্ঘ বর্ণৰ স্থিতি অনুসৰি গণৰ নাম নির্দ্ধাৰণ হয়। কেতিয়াবা কেতিয়াবা কোনো কোনো ছন্দৰ চৰণত শেষৰ এটা বা দুটা বর্ণ কেবল ***লঘু*** বা কেবল ***গুৰু*** আৰু এটা লঘু আনটো গুৰু হ'বও পাৰে।

আপুনি অধ্যয়ন কৰিবলৈ লোৱা চাৰিটা ছন্দত য, ৰ, ত, ভ আৰু জ গণ আৰু লগতে অন্ত্যবর্ণ গুৰু হ'ব লাগে বুলি দেখিবলৈ পাব। তিনিটা বর্ণৰ ভিতৰত প্রথমটো বর্ণ লঘু আৰু বাকী দুটা বর্ণ গুৰু হ'লে তাক য গণ বোলা হয়। তিনিটা বর্ণৰ ভিতৰত মাজৰটো লঘু আৰু প্রথম আৰু তৃতীয় বর্ণ গুৰু হ'লে তাক ৰ গণ বুলি কোৱা হয়। তিনিটা বর্ণৰ ভিতৰত শেষৰটো লঘু আৰু প্রথম দুটা গুৰু হ'লে তাক ত গণ বুলি কোৱা হয়। তিনিটা বর্ণৰ ভিতৰত প্রথমটো গুৰু আৰু বাকী দুটা লঘু হ'লে তাক ভ গণ আৰু মাজৰ বর্ণ গুৰু হৈ প্রথম আৰু তৃতীয় বর্ণ লঘু হ'লে তাক জ গণ বোলা হয়। দ্বিমাত্রাবিশিষ্ট বর্ণক গুৰু বুলি কোৱা হয়।

আপুনি "∪" (অর্দ্ধচন্দ্রাকৃতি) চিনটোক লঘুৰ প্রতীক আৰু "—" (সৰলৰেখাকৃতি) চিনটোক দীর্ঘৰ প্রতীক বুলি জানিব।



লঘু ঃ একমাত্রা বিশিষ্ট স্বৰবর্ণক লঘু বর্ণ বোলা হয়। ইয়াক হ্রস্ব বুলিও কোৱা হয়।

গুৰু ঃ দুই মাত্রা থকা স্বৰবর্ণক গুৰু বোলা হয়। ইয়াক দীর্ঘ বুলিও কোৱা হয়।

১২.৩ আলোচনা কৰিবলৈ লোৱা ছন্দৰ নাম আৰু সেইবোৰৰ চমু পৰিচয়

আপুনি ইয়াত চাৰিটা ছন্দৰ কথা অধ্যয়ন কৰিব পাৰিব। আগতেই আপুনি জানিব পাৰিছে যে এই অধ্যায়ত ইন্দ্রবজ্রা, বসন্ততিলক, বংশস্থৱিল আৰু ভুজঙ্গপ্রয়াত ছন্দৰ বিষয়ে বিতংকৈ অধ্যয়ন কৰিব।

আপুনি অধ্যয়ন কৰিবলৈ লোৱা চাৰিওটা ছন্দ সমবৃত্তীয় ছন্দ। কাৰণ এই চাৰিওটা ছন্দৰ প্রত্যেকটোৰ চৰণত বর্ণৰ সংখ্যা সমান থাকে। বংশস্থৱিল আৰু ভুজঙ্গপ্রয়াত ছন্দ দুটা বৈদিক জগতী ছন্দৰ প্রকাৰ বিশেষ। কাৰণ, বৈদিক জগতী ছন্দৰো প্রত্যেক চৰণত বাৰটাকৈ বর্ণ থাকে। ইন্দ্রবজ্রা ছন্দ বৈদিক ত্রিষ্টুপ ছন্দৰ প্রকাৰ বিশেষ। কাৰণ বেদৰ ত্রিষ্টুপ ছন্দৰ প্রত্যেক চৰণত এঘাৰটিকৈ বর্ণ থাকে। বসন্ততিলক ছন্দও বৈদিক শক্কৰী ছন্দৰ প্রকাৰ বিশেষ। কাৰণ, শক্কৰী ছন্দৰ প্রত্যেক চৰণত চৌধ্যটাকৈ বর্ণ থাকে। আলোচনা কৰিলগীয়া প্রত্যেকটো ছন্দৰ প্রত্যেক চৰণৰ শেষত যতি পৰে। ছন্দৰ লক্ষণত যতিৰ সংকেত দিয়া নাথাকিলে চৰণৰ শেষত যতিৰ ব্যৱহাৰ হয় বুলি বুজিব লাগে। ইন্দ্রবজ্রা, বসন্ততিলক, বংশস্থৱিল আৰু ভুজঙ্গপ্রয়াত ছন্দৰ লক্ষণত যতিৰ কোনো সঙ্কেত নাই।

১২.৩.১ইন্দ্রবজ্রা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

ইন্দ্রবজ্রা ছন্দটো সমবৃত্তীয়। এই ছন্দৰ প্রত্যেক চৰণত এঘাৰটাকৈ বর্ণ আছে। এই ছন্দৰ লক্ষণ গঙ্গাদাসৰ ছন্দোমঞ্জৰীত এনেদৰে নির্ণয় কৰা হৈছে—

"স্যাদিন্দ্রবজ্রা যদি তৌ জগৌ গঃ"

"স্যাৎ ইন্দ্রবজ্রা যদি তৌ জগৌ গঃ" অর্থাৎ যদি দুটা ত গণ, তাৰপিছত এটা জ গণ আৰু শেষৰ দুটা বর্ণ গুৰু হয় তেন্তে সেইটো ইন্দ্রবজ্রা হয়। ইয়াত 'তৌ' বুলিলে

দুটা ত গণ (তঃ চ তঃ চ তৌ) আৰু 'জগৌ' বুলিলে জ গণ আৰু গ (গুৰু বৰ্ণ) (জঃ চ গঃ চ) বুজিব লাগে।

ইন্দ্রবজ্রা ছন্দৰ প্রতিটো চৰণত প্রথমতে দুটা ত গণ আৰু তাৰ পিছত জ-গণ আৰু শেষৰ দুটা বৰ্ণ গুৰু হ'ব লাগে।

এই ছন্দৰ প্রত্যেক চৰণত গণৰ স্থিতি এইধৰণৰ—

ত ত জ গ গ

— — ∪ | — — ∪ | ∪ — ∪ | — —।

গ বুলিলে গণক নুবুজায়, এটা গুৰুবৰ্ণকহে বুজায়। ইন্দ্রবজ্রা ছন্দৰ প্রত্যেক চৰণত প্রথম, দ্বিতীয়, চতুর্থ, পঞ্চম, অষ্টম, দশম আৰু একাদশ বৰ্ণ গুৰু আৰু অৱশিষ্ট অর্থাৎ তৃতীয়, ষষ্ঠ, সপ্তম আৰু নৱম বৰ্ণ লঘু। গণৰ তিনিটা বৰ্ণৰ ভিতৰত শেষৰবৰ্ণ লঘু হলে তাক ত গণ আৰু মাজৰ বৰ্ণ গুৰু হলে তাক জ-গণ বোলা হয়। এই ছন্দত ৰচিত শ্লোকৰ প্রত্যেক চৰণৰ শেষত যতি পৰে।

ইন্দ্রবজ্রা ছন্দৰ উদাহৰণ হিচাপে তলত এফাঁকি শ্লোক উদ্ধৃত কৰা হৈছে—

ত ত জ গ গ

— — ∪ | — — ∪ | ∪ — ∪ | — —

অর্থোহি | কন্যা প | ৰকীয় | এৱ

— — ∪ | — — ∪ | ∪ — ∪ | — —

তাম দ্য | সংপ্রেষ্য | প ৰি গ্র | হীতুঃ।

— — ∪ | — — ∪ | ∪ — ∪ | — —

জাতোম | মায়ং বি | শ দঃ প্র | কামং

— — ∪ | — — ∪ | ∪ — ∪ | — —

প্রত্যর্পি | তন্যাস | ই ৱান্ত | ৰাত্মা।।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেকটো চৰণত এঘাৰটাকৈ বৰ্ণ আছে। সেই বৰ্ণবোৰৰ হ্রস্ব আৰু দীর্ঘ মাত্রা নিৰূপণ কৰিলে দেখা যায় যে তাৰ প্রত্যেকটো চৰণত প্রথম দুটা ত-গণ, তাৰ পিছত জ-গণ আৰু শেষৰ দুটা বৰ্ণ গুৰু হৈছে। ইয়াত প্রথম চৰণৰ আটাইতকৈ শেষৰ বৰ্ণ 'ৱ' ৰ অ-কাৰ গুৰু নহয়, লঘুহে হ'ব লাগিছিল। কিন্তু ছন্দৰ প্রয়োজন অনুসৰি পদান্ত বৰ্ণ লঘু হলেও কেতিয়াবা গুৰু বুলি ধৰিব লাগে (তথা পাদান্তগোহপি ৱা)।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্টকৈ দেখা গ'ল যে উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেকটো চৰণ এঘাৰটা বৰ্ণৰ সমষ্টিত ৰচিত। সেই বৰ্ণবোৰৰ হ্রস্ব আৰু দীর্ঘমাত্রা নির্দ্ধাৰণ কৰি তিনিটাকৈ মাত্রা লগ লগাই গণ গঠন কৰাত গণৰ লক্ষণৰ পিনৰ পৰা প্রত্যেক চৰণত ত-গণ, ত-গণ, জ-গণ আৰু শেষৰ দুটা বৰ্ণ গুৰু হোৱা দেখা পালো।

এতেকে উদ্ধৃত শ্লোকফাঁকিক ইন্দ্রবজ্রা ছন্দৰ উদাহৰণ হিচাপে গ্রহণ কৰিব পাৰি।

'∪' চিনটো লঘু আৰু '—' চিন গুৰুৰ প্রতীক।

আপুনি ইন্দ্রবজ্রা ছন্দৰ সূত্রটি উদাহৰণসহ অধ্যয়ন কৰিলে। উদাহৰণটি সংগ্রহ কৰা হৈছে কালিদাসৰ বিখ্যাত নাটক অভিজ্ঞানশকুন্তলম্‌ৰ প্রথম অঙ্কৰ পৰা।

এতিয়া ইয়াত আপুনি ছন্দোমঞ্জৰীৰ পৰা লোৱা আন এটি শ্লোক উদাহৰণ হিচাবে অধ্যয়ন কৰিবলৈ পাব।

শ্লোকফাঁকি তলত দিয়া হৈছে—

ত	ত	জ	গ গ
— — ∪	— — ∪	∪ — ∪	— —
গোষ্ঠেগি	ৰিংসব্য	ক ৰে ণ	ধৃ ত্বা
ত	ত	জ	গ গ
— — ∪	— — ∪	∪ — ∪	— —
ৰুষ্টেন্দ্র	ব জ্রা হ	তি মু ক্ত	বৃষ্টৌ।
ত	ত	জ	গ গ
— — ∪	— — ∪	∪ — ∪	— —
যো গোকু	লংগোপ	কু ল ঞ্চ	সুস্থং
ত	ত	জ	গ গ
— — ∪	— — ∪	∪ — ∪	— —
চক্রে স	নো ৰক্ষ	তু চ ক্র	পাণিঃ।

ইয়াত উদ্ধৃত কৰা শ্লোকফাঁকিৰ প্রত্যেকটি চৰণত এঘাৰটাকৈ বর্ণ আছে। প্রত্যেক চৰণত বর্ণবোৰৰ লঘু আৰু গুৰু নির্দ্ধাৰণ কৰি তিনিটাকৈ বর্ণত গণ বিভাগ কৰা হৈছে। গণৰ লক্ষণ অনুসৰি প্রত্যেকটি চৰণত ক্রমে ত, ত, জ গণ আৰু শেষৰ দুটা বর্ণ গুৰু হোৱা দেখা গৈছে। ছন্দৰ লক্ষণ অনুসৰি উদ্ধৃত শ্লোকফাঁকিক ইন্দ্রবজ্রা ছন্দৰ উদাহৰণ হিচাবে গ্রহণ কৰিব পাৰি।

এইখিনিতেই আপুনি জানি থোৱা ভাল যে কোনো ছন্দৰ উদাহৰণ হিচাবে পাঠ্যত থকা শ্লোকটিহে দিব লাগিব তেনেকুৱা কোনো নিয়ম নাই। আপুনি জনা আন যিকোনো শ্লোক উদাহৰণ হিচাবে লিখি তাত থকা বর্ণসমূহৰ লঘু আৰু গুৰু নির্দ্ধাৰণ কৰি গণ নির্ণয় কৰি দেখুৱাই দিলেই উত্তৰ শুদ্ধ হয়। অৱশ্যে আপুনি বেলেগ শ্লোক দিওঁতে শ্লোকটো আলোচনা কৰিবলৈ লোৱা ছন্দৰহে হ'ব লাগিব।



জানি থোৱা ভাল

- হ্রস্বস্বৰযুক্ত বর্ণবোৰক লঘু আৰু দীর্ঘস্বৰযুক্ত বর্ণবোৰক গুৰু বুলি কোৱা হয়।
- ছন্দৰ কোনো চৰণৰ শেষৰ বর্ণটো লঘু হলেও ছন্দৰ প্রয়োজন মতে গুৰু বুলি ধৰিব লাগে।

- গণৰ সমষ্টিত ছন্দৰ লক্ষণ নিৰূপণ কৰা হয় আৰু গণবোৰ বৰ্ণৰ মাত্রাৰ স্থানৰ আধাৰত নির্ণয় কৰা হয়।
- ছন্দোমঞ্জৰীত ছন্দৰ সূত্রটোও সেই ছন্দতেই ৰচিত। যেনে— ইন্দ্রবজ্রাৰ সূত্রটো ইন্দ্রবজ্রা ছন্দতেই ৰচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ছন্দত চৰণৰ আন এটা নাম কি?

.....

প্রশ্ন নং ২ ঃ লঘু আৰু গুৰু বুলিলে কি বুজায় লিখক।

.....

প্রশ্ন নং ৩ ঃ ইন্দ্রবজ্রা ছন্দৰ প্রতিটো চৰণত কেইটাকৈ বর্ণ থাকে লিখক।

.....

প্রশ্ন নং ৪ ঃ গণ বুলিলে কি বুজায় লিখক।

.....

প্রশ্ন নং ৫ ঃ ইন্দ্রবজ্রা ছন্দটোৰ সূত্র মুখস্থ লিখক।

.....

১২.৩.২ বসন্ততিলক ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

ইন্দ্রবজ্রা ছন্দৰ লক্ষণ আৰু উদাহৰণ জনাৰ পিছত আপুনি বসন্ততিলক ছন্দৰ কথা জানিব পাৰিব। বসন্ততিলক ছন্দটিও সমবৃত্তীয়। ইয়াৰ প্রত্যেকটো চৰণত চৌধ্যটাকৈ বর্ণ থাকে। বসন্ততিলক ছন্দৰ লক্ষণ ছন্দোমঞ্জৰীত এনেদৰে নির্ণয় কৰা হৈছে—

"জ্ঞেয়ং বসন্ততিলকং তভজা জগৌ গঃ"

তভজাঃ জগৌ গঃ বসন্ততিলকং জ্ঞেয়ম্ অর্থাৎ ত ভ জ জ গণ আৰু শেষৰ দুটা বর্ণ 'গ' হলে তাক বসন্ততিলক বুলি বুজিব লাগে। ইয়াত 'তভজাঃ'ৰ দ্বাৰা ত-গণ, ভ-গণ আৰু জ-গণক বুজাইছে। শেষত থকা "জগৌ গঃ"ই জ-গণ আৰু শেষৰ বর্ণ দুটা যে গুৰু হ'ব তাকেহে স্পষ্টকৈ বুজাই দিছে। বসন্ততিলক ছন্দৰ প্রত্যেক চৰণৰ গণৰ স্থিতি এইধৰণৰ—

ত ভ জ জ গ গ

— — ∪ | — ∪ ∪ | ∪ – ∪ | ∪ – ∪ | – –

গণৰ স্থিতিৰ পৰা দেখা যায় যে ইয়াত প্রত্যেক চৰণত প্রথম, দ্বিতীয়, চতুর্থ, অষ্টম, একাদশ, ত্রয়োদশ আৰু চতুর্দশ বর্ণ গুৰু আৰু অৱশিষ্ট বর্ণ অর্থাৎ তৃতীয়, পঞ্চম, ষষ্ঠ, সপ্তম, নৱম, দশম আৰু দ্বাদশ বর্ণ লঘু হৈছে। গণৰ তিনিটা বর্ণৰ ভিতৰত শেষৰটো

লঘু হলে তাক ত-গণ বোলা হয়। গণৰ তিনিটা বৰ্ণৰ প্রথমটো গুৰু হলে তাক ভ-গণ বোলা হয়। তিনিটা বৰ্ণৰ ভিতৰত মাজৰটো গুৰু হলে তাক জ-গণ বোলা হয়। বসন্ততিলক ছন্দৰ প্রতিটো চৰণৰ শেষত যতি পৰে।

বসন্ততিলক ছন্দৰ উদাহৰণ হিচাবে তলত এটি শ্লোকৰ উদ্ধৃতি দি ফঁহিয়াই বিশ্লেষণ কৰা হ'ল—

ত	ভ	জ	জ	গ গ
— — ∪	— ∪ ∪	∪ – ∪	∪ – ∪	– –
মুক্তে যু	ৰ শ্মি যু	নি ৰা য়	ত পূ র্ব্ব	কায়া
— — ∪	— ∪ ∪	∪ – ∪	∪ – ∪	– –
নিষ্কম্প	চা ম ৰ	শি খা নি	ভূ তো র্দ্ধ	কর্ণাঃ।
— — ∪	— ∪ ∪	∪ – ∪	∪ – ∪	– –
আত্মোদ্ধ	তৈ ৰ পি	ৰজোভি	ৰ ল ঙঘ	নীয়া
— — ∪	— ∪ ∪	∪ – ∪	∪ – ∪	– –
ধা বন্ত্য	মী মৃ গ	জ ৱা ক্ষ	ম য়ে ৱ	ৰথ্যা ঃ।।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত চৌধ্যটিকৈ বৰ্ণ আছে। তিনিটা বৰ্ণৰ সমষ্টিত একোটা গণ হৈছে। গণবোৰৰ লক্ষণ মতে প্রথমটো ত-গণ, দ্বিতীয়টো ভ-গণ, তৃতীয়টো জ-গণ আৰু চতুর্থটোও জ-গণ হৈছে। শেষৰ দুটা বৰ্ণ প্রত্যেক চৰণত গুৰু হৈছে। উদ্ধৃত শ্লোকফাঁকিত বসন্ততিলক ছন্দৰ লক্ষণ সম্পূর্ণ পোৱা যায়। এতেকে ইয়াক উক্ত ছন্দৰ উদাহৰণ হিচাপে গ্রহণ কৰিব পাৰি। আপুনি বসন্ততিলক ছন্দৰ উদাহৰণসহ অধ্যয়ন কৰিলে। অধ্যয়ন কৰা উদাহৰণটি 'অভিজ্ঞান শকুন্তলম্' নাটকৰ প্রথম অঙ্কৰ পৰা লোৱা হৈছে।

ইয়াত আপুনি বসন্ততিলক ছন্দত ৰচিত আন এটি শ্লোকৰ বিশ্লেষণ অধ্যয়ন কৰিবলৈ পাব। ভাসৰ 'স্বপ্নবাসৱদত্তম্' নাটকৰ ষষ্ঠ অঙ্কৰ পৰা তলত উল্লেখ কৰা শ্লোকটি সংগ্রহ কৰা হৈছে।

ত	ভ	জ	জ	গ গ
— — ∪	— ∪ ∪	∪ – ∪	∪ – ∪	– –
প্রচ্ছাদ্য	ৰা জ ম	হি ষীং নৃ	পতের্হি	তার্থং
ত	ভ	জ	জ	গ গ
— — ∪	— ∪ ∪	∪ – ∪	∪ – ∪	– –
কামংম	য়া কৃ ত	মি দং হি	ত মি ত্য	ৱেক্ষ্য।
ত	ভ	জ	জ	গ গ
— — ∪	— ∪ ∪	∪ – ∪	∪ – ∪	– –
সিদ্ধেহ পি	নাম ম	ম ক র্ম	ণি পার্থি	ৱোহসৌ

ত ভ জ জ গ গ

— — ∪ | — ∪ ∪ | ∪ – ∪ | ∪ – ∪ | – –

কিংৱক্ষ্য | তী তি হ্ৰ | দয়ং প | ৰি শঙ্কি | তং মে।

উদ্ধৃত শ্লোকফাঁকিৰ প্ৰত্যেক চৰণত চৌধ্যটিকৈ বৰ্ণ আছে। প্ৰতিটি চৰণত থকা বৰ্ণবোৰৰ লঘু আৰু গুৰু নিৰ্ণয় কৰা হৈছে। তাৰ পিছত তিনিটাকৈ বৰ্ণৰ যোগত গণ নিৰ্ণয় কৰা হৈছে। গণৰ লক্ষণ অনুসৰি প্ৰত্যেক চৰণত ক্ৰমে ত, ভ, জ আৰু জ গণ আৰু শেষৰ বৰ্ণ দুটা গুৰু হোৱা দেখা গৈছে। অৱশ্যে দ্বিতীয় চৰণৰ শেষৰ 'ক্ষ্য' বৰ্ণটোৰ অ-কাৰ লঘু হোৱা স্বত্বেও ছন্দৰ প্ৰয়োজন অনুসৰি গুৰু বুলি ধৰা হৈছে। 'ক্ষ্য' বৰ্ণত (ক্ ষ্ য্ অ) থকা অ-কাৰ হ্ৰস্ব স্বৰ অৰ্থাৎ একমাত্ৰাবিশিষ্ট লঘু বৰ্ণ। কিন্তু ছন্দৰ খাতিৰত তাক দীৰ্ঘ (গুৰু) বুলি গণ্য কৰা হৈছে।



জানি থোৱা ভাল

- সংযুক্ত বৰ্ণৰ (দুটা ব্যঞ্জন বৰ্ণৰ যোগত হোৱা বৰ্ণ, যেনে— ক্ত, ঙ্ঘ, গ্ন ইত্যাদি) আগৰ বৰ্ণটো হ্ৰস্ব হলেও দীৰ্ঘ (গুৰু) হয়।
- বসন্ততিলক ছন্দক উদ্ধৰ্ষিণী, মধুমাধৰী, সিংহোন্নতা আদি বেলেগ বেলেগ নামেৰেও জনা যায়।
- বসন্ততিলক ছন্দৰ সূত্ৰটো এই ছন্দতেই ৰচিত। গতিকে সূত্ৰটোকেই বিশ্লেষণ কৰিলে বেলেগ উদাহৰণৰ প্ৰয়োজন নাথাকে। অৱশ্যে শ্লোক লিখি উদাহৰণ বিশ্লেষণ কৰাই ভাল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ "বসন্ততিলক ছন্দটো সমবৃত্তীয়।" বাক্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্ৰশ্ন নং ৭ ঃ বসন্ততিলক ছন্দৰ প্ৰত্যেক চৰণত কেইটাকৈ বৰ্ণ থাকে লিখক।

.....

প্ৰশ্ন নং ৮ ঃ সংযুক্ত বৰ্ণৰ আগৰ বৰ্ণটো হ্ৰস্ব হলেও দীৰ্ঘ বুলি ধৰিব লাগে নে নালাগে লিখক।

.....

প্ৰশ্ন নং ৯ ঃ বসন্ততিলক ছন্দৰ বেলেগ দুটা নাম লিখক।

.....

১২.৩.৩ বংশস্থৱিল ছন্দৰ লক্ষণ, উদাহৰণসহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

আপুনি বসন্ততিলক ছন্দৰ বিষয়ে অধ্যয়ন কৰিলে। ইয়াত বংশস্থৱিল ছন্দৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। বংশস্থৱিল ছন্দটো সমবৃত্তীয়। গঙ্গাদাসৰ ৰচিত ছন্দোমঞ্জৰীত এই ছন্দৰ লক্ষণ এনেদৰে নির্ণয় কৰা হৈছে—

"বদন্তি বংশস্থৱিলং জতৌ জৰৌ"।

'জতৌ (জঃ চ তঃ চ) জৰৌ (জঃ চ ৰঃ চ) বংশস্থৱিলং বদন্তি। জ গণ, ত গণ, জ গণ আৰু ৰ গণক বংশস্থৱিল বুলি কোৱা হয়। ইয়াৰ অর্থ এয়ে যে যি ছন্দৰ প্রত্যেকটি চৰণ ক্রমে জ-গণ, ত-গণ, জ-গণ আৰু ৰ-গণৰ দ্বাৰা ৰচিত হয় তাক বংশস্থৱিল ছন্দ বোলা হয়।

বংশস্থৱিল ছন্দৰ গণৰ অৱস্থিতি এইধৰণৰ—

জ ত জ ৰ

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

ইয়াত '∪' চিনটি লঘুস্বৰক বুজাবলৈ আৰু '---' চিনটি দীর্ঘস্বৰক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। বংশস্থৱিল ছন্দৰ প্রত্যেক চৰণত প্রথম, তৃতীয়, ষষ্ঠ, সপ্তম, নৱম আৰু একাদশ বর্ণ লঘু আৰু অৱশিষ্ট অর্থাৎ দ্বিতীয়, চতুর্থ, পঞ্চম, অষ্টম, দশম আৰু দ্বাদশ বর্ণ গুৰু হয়। বংশস্থৱিল ছন্দৰ প্রত্যেক চৰণৰ শেষত যতি পৰে।

বংশস্থৱিল ছন্দৰ উদাহৰণ হিচাপে তলৰ শ্লোকটি বিশ্লেষণ কৰা হ'ল—

জ ত জ ৰ

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

ইদং কি | লাহ ব্যাজ | মনোহৰং | ৱপুঃ

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

তপঃ ক্ষ | মং সাধ | য়িতুং য | ইচ্ছতি।

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

ধ্রু ৱং স | নীলোৎপ | ল প ত্র | ধা ৰ য়া

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

শ মী ল | তাং ছেত্তু | মৃ যি র্ব্য | ৱ স্যতি।

উদ্ধৃত শ্লোকটিৰ প্রত্যেকটি চৰণত বাৰটিকৈ বর্ণ আছে। চৰণৰ বাৰটা বর্ণৰ প্রতিটিত গুৰু আৰু লঘু নির্ণয় কৰি তিনিটাৰে গণত ভাগ কৰিলে প্রত্যেকটি চৰণ ক্রমে জ-গণ, ত-গণ, জ-গণ আৰু ৰ-গণেৰে ৰচিত হৈছে বুলি দেখা যায়। ইয়াত দ্বিতীয় আৰু চতুর্থ চৰণৰ শেষৰ বর্ণ 'তি'ৰ ই-কাৰ লঘু (হ্রস্ব)। কিন্তু, ছন্দৰ প্রয়োজন অনুসৰি ইয়াত পদান্ত লঘু মাত্রাটিক গুৰু বুলি ধৰা হৈছে। উদ্ধৃত শ্লোকটি বংশস্থবিল ছন্দৰ উদাহৰণ

বুলি গ্রহণ কৰিব পাৰি। বংশস্থৱিল ছন্দৰ প্রত্যেকটি চৰণৰ শেষত যতি পৰে। গণৰ তিনিটা বর্ণৰ ভিতৰত মাজৰ বর্ণ গুৰু হলে জ-গণ, শেষৰ বর্ণ লঘু হলে ত-গণ আৰু মাজৰ বর্ণটি লঘু হলে তাক ৰ-গণ বুলি কোৱা হয়। আপুনি বংশস্থৱিল ছন্দৰ সূত্র আৰু উদাহৰণৰ বিশদ আলোচনা অধ্যয়ন কৰিলে। উদাহৰণৰ শ্লোকটি 'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্রথম অঙ্কৰ পৰা লোৱা হৈছে।

এতিয়া ইয়াত অতিৰিক্ত আন এটি উদাহৰণৰ বিশ্লেষণ অধ্যয়ন কৰিবলৈ পাব। তলৰ শ্লোকফাঁকি কিৰাতার্জ্জুনীয়ম্ মহাকাব্যৰ প্রথম সর্গৰ পৰা লোৱা হৈছে—

জ ত জ ৰ

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

শ্রিয়ঃকু | ৰূণাম | ধিপস্য | পালনীং

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

প্র জা সু | বৃত্তিং য | ময়ুঙ্ক্ত | বেদিতুম্।

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

স ব র্ণি | লি ঙ্গীবি | দিতঃ স | মাযযৌ

∪ — ∪ | — — ∪ | ∪ — ∪ | — ∪ —

যু ধি ষ্ঠি | ৰং দ্বৈত | ৰ নে ব | নেচৰঃ।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত বাৰটিকৈ বর্ণ আছে। প্রত্যেক পাদৰ বর্ণবোৰৰ লঘু আৰু গুৰু নির্ণয় কৰা হৈছে। বর্ণবোৰক তিনিটাকৈ ভাগ কৰি একোটাকৈ গণ সজা হৈছে। গণৰ লক্ষণ মতে প্রত্যেক চৰণত ক্রমে জ, ত, জ আৰু ৰ-গণ হোৱা দেখা গৈছে। এতেকে বংশস্থৱিল ছন্দৰ সকলো লক্ষণ এই শ্লোকফাঁকিত আছে। উদ্ধৃত শ্লোকফাঁকিক বংশস্থৱিল ছন্দৰ উদাহৰণৰূপে গ্রহণ কৰিব পাৰি।



জানি থোৱা ভাল

- বংশস্থৱিল ছন্দক বংশস্থ বুলিও কোৱা হয়।
- ছন্দৰ প্রয়োজন অনুসৰি চৰণৰ শেষত থকা বর্ণটো লঘু হ'লেও কেতিয়াবা গুৰু বুলি ধৰিব লাগে।
- বংশস্থৱিল ছন্দৰ উদাহৰণ হিচাবে 'কিৰাতার্জ্জুনীয়ম্' মহাকাব্যৰ প্রথম সর্গৰ পৰা যিকোনো এটি শ্লোক ব্যৱহাৰ কৰিব পাৰি। কিন্তু উক্ত মহাকাব্যৰ প্রথম সর্গৰ শেষৰ দুটা শ্লোক বাদ দি বাকীবোৰৰ যিকোনো এটি শ্লোকহে আপুনি বাছি লব পাৰে।
- আপুনি জনা উচিত যে অনুস্বাৰ (ং) আৰু বিসর্গ (ঃ) যুক্ত লঘু বর্ণকো গুৰু বুলি ধৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ বংশস্থৱিল ছন্দৰ চৰণত থকা গণবোৰ লিখক।

.....

প্রশ্ন নং ১১ ঃ "বংশস্থৱিল ছন্দৰ প্রত্যেকটি চৰণত বাৰটিকৈ বর্ণ থাকে।" —বাক্যটি শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ১২ ঃ বংশস্থৱিল ছন্দৰ সূত্রটো মুখস্থ লিখক।

.....

প্রশ্ন নং ১৩ ঃ "বংশস্থৱিল ছন্দৰ প্রত্যেকটি চৰণৰ শেষত যতি পৰে।" —বাক্যটি শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ১৪ ঃ ৰ-গণ আৰু ত-গণৰ মাজত থকা পার্থক্য লিখক।

.....

.....

.....



১২.৪ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ইন্দ্রবজ্রা ছন্দৰ সূত্র, উদাহৰণৰ বিশ্লেষণ আৰু অসমীয়া ব্যাখ্যাও জানিলে।
- বসন্ততিলক ছন্দৰ সূত্র উদাহৰণৰ বিশ্লেষণ আৰু অসমীয়া ব্যাখ্যা শিকিলে।
- বংশস্থৱিল ছন্দৰ সূত্র উদাহৰণৰ বিশ্লেষণ আৰু অসমীয়া ব্যাখ্যাও জানিলে।
- লুপ্ত অ কাৰক বর্ণ হিচাপে গণনা কৰিব নালাগে বুলিও জানিলে।
- পাদৰ শেষত থকা ম্‌ক সদায় অনুস্বাৰ বুলিহে গণ্য কৰিব লাগে বুলি জানিলে।
- ভ, জ, য, ৰ আৰু ত-গণৰ কথা ভালদৰে জানিব পাৰিলে।
- সংযুক্ত বর্ণৰ পূর্ব্ব বর্ণটো লঘু হ'লেও যে সেইটো গুৰু বর্ণ হয় সেইটো জানিলে। আকৌ ছন্দৰ প্রয়োজন অনুসৰি চৰণৰ শেষৰ বর্ণ লঘু হলেও যে গুৰু বুলি ধৰিব লাগে সেইটো আপুনি জানিলে।
- ছন্দোমঞ্জৰীত ছন্দৰ সূত্রটো যে সেই ছন্দতেই ৰচিত সেইটো আপুনি জানিব পাৰিলে।
- আপুনি জানিবলৈ পালে যে কোনো ছন্দৰ সূত্রটো ব্যাখ্যা কৰি তাৰ উদাহৰণ হিচাবে শ্লোক এটি লিখি তাৰ প্রত্যেকটি বর্ণৰ গুৰু আৰু লঘু বিচাৰ কৰিব লাগে। তিনিটা তিনিটা

বর্ণৰ যোগত হোৱা গণ নির্দ্ধাৰণ কৰি গণৰ নামটোও লিখিব লাগে।

- জানিলে যে একমাত্রা থকা স্বৰক লঘু আৰু দুইমাত্রা থকা স্বৰক গুৰু বোলা হয়।



১২.৫ অধিক জানিবলৈ

১) শাস্ত্রী, আচার্য্য পণ্ডিত সত্য নাৰায়ণ; (সম্পা.) *ছন্দোমঞ্জৰী* (গঙ্গাদাস ৰচিত); বাৰাণসী ঃ খণ্ডুড়ী-চৌখম্বা কৃষ্ণদাস অকাদেমী।

২) মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্য, *বৃত্তমঞ্জৰী*; অসম সংস্কৃত ব'র্ড।

৩) Bose, R. M.; The Metres used in the play– *Abhijnan Sakuntalam.*



১২.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ পাদ।

২নং প্রশ্নৰ উত্তৰ ঃ লঘু বুলিলে একমাত্রা থকা স্বৰবর্ণ আৰু গুৰু বুলিলে দুই মাত্রা থকা স্বৰবর্ণক বুজায়।

৩নং প্রশ্নৰ উত্তৰ ঃ এঘাৰটাকৈ।

৪নং প্রশ্নৰ উত্তৰ ঃ গণ বুলিলে তিনিটা বর্ণৰ সমষ্টিক বুজায়।

৫নং প্রশ্নৰ উত্তৰ ঃ 'স্যাদিন্দ্রবজ্রা যদি তৌ জগৌ গঃ'।

৬নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৭নং প্রশ্নৰ উত্তৰ ঃ চৌদ্ধটাকৈ।

৮নং প্রশ্নৰ উত্তৰ ঃ লাগে।

৯নং প্রশ্নৰ উত্তৰ ঃ উদ্ধর্ষিণী আৰু মধুমাধৰী।

১০নং প্রশ্নৰ উত্তৰ ঃ জ, ত, জ আৰু ৰ-গণ।

১১নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১২নং প্রশ্নৰ উত্তৰ ঃ 'বদন্তি বংশস্থৱিলং জতৌ জৰৌ'।

১৩নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১৪নং প্রশ্নৰ উত্তৰ ঃ ৰ-গণত মাজৰ বর্ণটো লঘু আৰু ত-গণত শেষৰ বর্ণটো লঘু হ'ব লাগে।



১২.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ শুদ্ধ শব্দটো নিৰ্ণয় কৰক—

ক) জ-গণৰ মাজৰ বৰ্ণটো লঘু/গুৰু হ'ব লাগে।

খ) ৰ-গণৰ মাজৰ বৰ্ণটো লঘু/গুৰু হ'ব লাগে।

গ) ভ-গণৰ আদি বৰ্ণটো লঘু/গুৰু হ'ব লাগে।

ঘ) ত-গণৰ শেষৰ বৰ্ণটো লঘু/গুৰু হ'ব লাগে।

ঙ) য-গণৰ আদি বৰ্ণটো লঘু/গুৰু হ'ব লাগে।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইন্দ্রবজ্রা ছন্দত কি কি গণ আৰু শেষৰ বৰ্ণ দুটা কি হ'ব লাগে লিখক।

প্ৰশ্ন ২ ঃ বসন্ততিলক ছন্দৰ সূত্রটো লিখি তাত থকা বৰ্ণবোৰৰ লঘু আৰু গুৰু নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ ঃ বসন্ততিলক ছন্দৰ সূত্রত থকা লঘু আৰু গুৰু বৰ্ণবোৰক তিনিটাকৈ গণত ভগাই গণৰ নামবোৰ কি কি লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তলত দিয়া ছন্দবোৰৰ যিকোনো দুটা উদাহৰণসহ বুজাই লিখক—

ইন্দ্রবজ্রা আৰু বংশস্থৱিল।

*** ***** ***